# Atal Tinkering Lab sponsored by NITI Aayog formally inaugurated at Assam Jatiya Bidyalay

Dated:-10/10/2017

Prof. Gautam Biswas, Director of Indian Institute of Technology Guwahati formally inaugurated the Atal Tinkering Laboratory (ATL) established at Assam Jatiya Bidyalay (AJB), Noonmati with the support of the NITI Aayog on $10^{th}$ October 2017. The school is one of the 257 schools selected by the NITI Aayog out of more than 15000 applicants across the country during the first round of establishment of these laboratories. The Government of India setup the Atal Innovation Mission (AIM) at NITI Aayog in order to create scientific temper and cultivate the spirit of curiosity and innovation among young minds. ATL is a work space where young minds can give shape to their ideas through hands on do-it-yourself mode and learn innovation skills. The ATLs are expected to foster curiosity, creativity and imagination in young minds and inculcate skills such as design mind-set, computational thinking, adaptive learning, physical computing etc. Young children will get a chance to work with tools and equipment to understand what, how and why aspects of STEM (Science, Technology, Engineering and Math). ATL lab would teach students essential $21^{st}$ century professional and personal skills to make a New India. Under the ATL scheme, AJB has established a laboratory of 1500 square feet of built up space equipped with Rapid Prototyping Tools including 3D Printer, Electronics Development kits, Internet of Things & Sensors, Robotics and mechanical tools. The facility also includes a seminar hall with audio-visual facilities. The school has already received a onetime grant of Rs.10 Lakh for to create the infrastructure and shall receive another Rs.10 Lakh over the next five years to meet operations and maintenance expenses. The Tinkering lab will be used by not only the students from AJB but also shall be open for schools in the vicinity as per pre-defined schedules. NITI Aayog approved vendor M/s Robotech Pvt. Ltd. set up the laboratory and also has entered into an agreement with the school to train groups of teachers and students on innovation and creativity. AJB shall establish a network of mentors from industries, academia, research institutions and civil society for hand-holding, guidance and knowledge sharing to run the ATL. The school shall also conduct activities like regional and national level competitions, exhibitions, lecture series etc. to popularise STEM.

Ghanashyam Medhi

Principal

Assam Jatiya Bidyalay

# অসম জাতীয় বিদ্যালয়
## নুনমাটি, গুৱাহাটী

তাৰিখ : ১০/১০/২০১৭

---

### নিটি আয়োগৰ উদ্যোগত অসম জাতীয় বিদ্যালয়ত অটল টিংকাৰিং লেব উদ্বোধন

নুনমাটি, গুৱাহাটী ১০ অক্টʼবৰ : গুৱাহাটীৰ আই.আই.টিৰ মুখ্য সঞ্চালক অধ্যাপক গৌতম বিশ্বাসে আজি নুনমাটিস্থ অসম জাতীয় বিদ্যালয়ত নিটি আয়োগৰ উদ্যোগত অটল টিংকাৰিং লেব আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। সৰ্বভাৰতীয় পৰ্যায়ত এইধৰণৰ বিজ্ঞানাগাৰ স্থাপনৰ প্ৰথম পদক্ষেপত সমগ্ৰ ভাৰতৰ ১৫০০০ আবেদনকাৰীৰ ভিতৰত ২৫৭ খন বিদ্যালয় বাছনি কৰা হয় আৰু ইয়াৰ ভিতৰত অসম জাতীয় বিদ্যালয়ো এখন। শিক্ষাৰ্থীসকলৰ মনত বৈজ্ঞানিক দৃষ্টিভংগী সৃষ্টি কৰা, কৌতুহল আৰু নতুন কথা শিকাৰ মানসিকতা গঢ় দিয়াৰ উদ্দেশ্যে ভাৰত চৰকাৰে অটল ইনʼভেচন মিচন স্থাপন কৰিছে। অটল টিংকাৰিং লেব এনে এটি বিজ্ঞানাগাৰ যʼত শিক্ষাৰ্থীসকলে নিজহাতে নিজা দক্ষতা, চিন্তাশক্তি আৰু কল্পনা ব্যৱহাৰ কৰি আপোন ধাৰণাক সাকাৰ ৰূপ দিব পাৰে। শিক্ষাৰ্থীসকলৰ মনত কৌতুহল, সৃষ্টিশীলতা, চিন্তাশক্তি আৰু কল্পনাৰ মনোভাৱ সৃষ্টি কৰাই ইয়াৰ মুল লক্ষ্য, যাৰ জৰিয়তে তেওঁলোকে পৰিকল্পনাৰ মনোভাৱ, পৰিসাংখ্যিক চিন্তা, সহজে নতুন পৰিৱেশত খাপ খুৱাই লʼব পৰা মানসিকতা, ভৌতিক গণনা আদিৰ দক্ষতা অৰ্জন কৰিব পাৰে। শিক্ষাৰ্থীসকলে যন্ত্ৰ-সঁজুলি ব্যৱহাৰ কৰি জানিব পাৰিব বিজ্ঞান, প্ৰযুক্তিবিদ্যা, আভিযান্ত্ৰিক আৰু গণিতৰ বিভিন্ন ক্ষেত্ৰত কি, কিয় আৰু কেনেকৈ সংঘটিত হয়। নতুন ভাৰত গঢ়াৰ দিশত অটল টিংকাৰিং লেবে শিক্ষাৰ্থীসকলক বিভিন্ন দিশত একৈশ শতিকাৰ বৃত্তিগত আৰু ব্যক্তিগত দক্ষতাৰ শিক্ষা দিব। অটল টিংকাৰিং লেব আঁচনিৰ অধীনত অসম জাতীয় বিদ্যালয়ে ১৫০০ বৰ্গফুটৰ এটা বিজ্ঞানাগাৰ স্থাপন কৰিছে যʼত বিভিন্ন আধুনিক সঁজুলিৰ লগতে Rapid Prototyping Tools, 3D Printer, Electronic Development Kits, Internet of Things and Sensors, Robotics and Mechanical Tools ইত্যাদিৰ সুবিধা আছে। ইয়াৰ লগতে চেমিনাৰ হল আৰু দৃশ্য-শ্ৰাব্য মাধ্যমো আছে। অসম জাতীয় বিদ্যালয়ে আৰ্ন্তগাঁথনি প্ৰস্তুত কৰাৰ কাৰণে ইতিমধ্যে ১০ লাখ টকা এককালীন সাহায্য লাভ কৰিছে আৰু অহা পাঁচ বছৰৰ ভিতৰত যাৱতীয় খৰচৰ বাবে আৰু ১০ লাখ টকা লাভ কৰিব। অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ লগতে ইয়াৰ ওচৰ-পাজৰৰ বিভিন্ন বিদ্যালয়ে এই বিজ্ঞানাগাৰ ব্যৱহাৰ কৰিব পাৰিব। M/S Robotech Pvt. Ltd. ক এই বিজ্ঞানাগাৰ স্থাপন কৰাৰ বাবে নিটি আয়োগে মঞ্জুৰ কৰিছে আৰু সৃষ্টিশীলতা আৰু নতুন বৈজ্ঞানিক চিন্তাৰ ক্ষেত্ৰত শিক্ষক আৰু শিক্ষাৰ্থীসকলক প্ৰশিক্ষণ দিয়াৰ বাবে চুক্তিবদ্ধ হৈছে। শিক্ষণ প্ৰক্ৰিয়াৰ বিভিন্ন দিশৰ সহায়, নিৰ্দেশনা, বিভিন্ন তথ্য, জ্ঞানৰ আদান-প্ৰদান আৰু প্ৰসাৰণৰ ক্ষেত্ৰত সহায়ক হোৱাৰ কাৰণে অসম জাতীয় বিদ্যালয়ে বিভিন্ন গৱেষণামূলক অনুষ্ঠান, বিদ্যত সমাজ আৰু উদ্যোগিকক্ষেত্ৰৰ সৈতে নেটৱৰ্ক গঢ়ি তুলিব। বিজ্ঞান, প্ৰযুক্তিবিদ্যা, আভিযান্ত্ৰিক আৰু গাণিতিকক্ষেত্ৰ জনপ্ৰিয় কৰাৰ কাৰণে অসম জাতীয় বিদ্যালয়ে আঞ্চলিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন প্ৰতিযোগিতা, বক্তৃতা অনুষ্ঠান আৰু প্ৰদৰ্শনী অনুষ্ঠিত কৰিব।

ঘনশ্যাম মেধি
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়
১০/১০/২০১৭